NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-08-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল অভূতপূৰ্ব বিকাশৰ দিশে অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগনে আজি গুৱাহাটীত প্ৰকাশ কৰে।

২। নতুন দিল্লীত আজি সন্ধিয়া বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হ'ব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মহাৰাষ্ট্ৰৰ মুম্বাই আৰু পালঘৰ ভ্ৰমণ কৰিব।

৪। কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে আজি নতুন দিল্লীত ASSOCHAM পৰিৱেশ আৰু কাৰ্বন সন্মিলন উদ্বোধন কৰে।

*আৰু*

৫। কেন্দ্ৰীয় ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি বিভাগৰ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে নতুন দিল্লীত আজি ডিজিটেল ভাৰত অৰ্থনৈতিক সন্মিলনক সম্বোধন কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত অসমৰ লগতে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল অভূতপূৰ্ব বিকাশৰ দিশে অগ্ৰসৰ হৈছে বুলি কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ তথা সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগনে আজি গুৱাহাটীত প্ৰকাশ কৰে। দুদিনীয়া ভ্ৰমণসূচীৰে গুৱাহাটীত উপস্থিত হোৱাৰ পাছত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰীয়ে অঞ্চলটোৰ উন্নয়নত অগ্ৰাধিকাৰ দি আহিছে। আজি গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতেই তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটী কাৰ্যালয়ৰ কেইবাগৰাকী জ্যেষ্ঠ বিষয়াই তেওঁক আদৰণি জনায়। গুৱাহাটীৰ পৰা চিৰাঙলৈ গৈ মন্ত্ৰীগৰাকীয়ে জিলাখনৰ কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াৰে এখন বৈঠকত মিলিত হ'ব। ইয়াৰ পাছত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাংসদ আৰু বিধায়কসকলৰ সৈতে আন এখন বৈঠকত মিলিত হ'ব। ড০ মুৰুগনে কাইলৈ চিৰাং জিলাৰ অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। মন্ত্ৰীগৰাকীয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ গুৱাহাটীত থকা কেইবাগৰাকীও জ্যেষ্ঠ বিষয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ কথা আছে। তেওঁ লগতে হিন্দুস্তান পেট্ৰ'লিয়াম ক'ৰ্পৰেচন লিমিটেডৰ তৈল ভাণ্ডাৰ প্ৰকল্প পৰিদৰ্শন কৰি বিয়লি চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ গেলেফুলৈ ৰাওনা হ'ব।

০০০০০০০

নতুন দিল্লীত আজি সন্ধিয়া বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বৈঠক অনুষ্ঠিত হ'ব। বিজেপিৰ মুখ্য কাৰ্যালয়ত হ'বলগীয়া বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা আৰু জ্যেষ্ঠ দলীয় নেতাসকলে অংশগ্ৰহণ কৰিব। বৈঠকত আগন্তুক হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থীসকলৰ নাম চূড়ান্ত কৰাৰ সম্ভাৱনা আছে। আনহাতে নতুন দিল্লীত আজি বিয়লিৰ ভাগত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ বাসগৃহত বিজেপিৰ হাৰিয়ানা মূল সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ধৰ্মেন্দ্ৰ প্ৰধান আৰু জ্যেষ্ঠ দলীয় নেতৃবৃন্দ এই বৈঠকত উপস্থিত থাকে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ মহাৰাষ্ট্ৰৰ মুম্বাই আৰু পালঘৰ ভ্ৰমণ কৰিব। মুম্বাইৰ জিঅ' ৱৰ্ল্ড কনভেনশ্যন চেণ্টাৰত দিনৰ প্ৰায় ১১ বজাত শ্ৰী মোদীয়ে গ্লোবেল ফিনটেক সমাৰোহক সম্বোধন কৰিব। দিনৰ দ্বিতীয়াৰ্ধত তেওঁ পালঘৰৰ চিডকো গ্ৰাউণ্ডত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে পালঘৰত প্ৰায় ৭৬ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া ৱাধৱন বন্দৰৰ আধাৰশিলা স্থাপন কৰিব। তদুপৰি শ্ৰী মোদীয়ে প্ৰায় এহেজাৰ ৫৬০ কোটি ব্যয় সাপেক্ষ ২১৮টা মীন পালন প্ৰকল্পৰো আধাৰশিলা স্থাপন আৰু উদ্বোধন কৰিব।

০০০০০০০

কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰত অহা ১৮ ছেপ্তেম্বৰৰ পৰা হ'বলগীয়া তিনিটা পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত অঞ্চলটোত অৰ্ধসামৰিক বাহিনীৰ ৩০০টা অতিৰিক্ত কোম্পানী মোতায়েন কৰা হ'ব। অৰ্ধসামৰিক বাহিনী চি আৰ পি এফ, বি এছ এফ, এছ এছ বি আৰু আই টি বি পিৰ দলসমূহক জম্মু অঞ্চলৰ বিধানসভা নিৰ্বাচন সুকলমে সম্পন্ন কৰাৰ ক্ষেত্ৰত নিৰাপত্তা সুনিশ্চিত কৰাৰ দায়িত্ব প্ৰদান কৰা হৈছে। বিধানসভা নিৰ্বাচনৰ সময়ছোৱাত এই অতিৰিক্ত অৰ্ধসামৰিক বাহিনীৰ কোম্পানীসমূহক জম্মু, কথুৱা, চাম্বা আৰু উধমপুৰ জিলাত সুৰক্ষা কাৰ্যত নিয়োজিত কৰা হ'ব।

কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিল কৰা ২৭৯গৰাকী প্ৰাৰ্থীৰ ভিতৰত ২৪৪গৰাকীৰ মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। ৩৫গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বাতিল হৈছে। প্ৰথম পৰ্যায়ত জম্মু-কাশ্মীৰৰ ২৪টা বিধানসভা সমষ্টিত ১৮ ছেপ্তেম্বৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগৰ অধিসূচনা অনুসৰি ইচ্ছুক প্ৰাৰ্থীসকলে কাইলৈ বিয়লি ৩ বজাৰ ভিতৰত মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব।

আনহাতে দেশৰ নিৰ্বাচন আয়োগে জম্মু কাশ্মীৰত দ্বিতীয় পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। ইয়াৰ লগে লগে মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়া আৰম্ভ হৈছে। অহা ৫ ছেপ্তেম্বৰত মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন আৰু অহা ৬ ছেপ্তেম্বৰত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। প্ৰাৰ্থীসকলে অহা ৯ ছেপ্তেম্বৰলৈ মনোনয়ন প্ৰত্যাহাৰ কৰিব পাৰিব। অহা ২৫ ছেপ্তেম্বৰত এই পৰ্যায়ত জম্মু কাশ্মীৰৰ ৬ খন জিলাৰ ২৬টা বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে সকলো পৰ্যায়ৰ নিৰ্বাচনৰ ফলাফল অহা ৪ অক্টোবৰত ঘোষণা কৰা হ'ব।

০০০০০০০

কেন্দ্ৰীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন ৰাজ্য মন্ত্ৰী কীৰ্তিবৰ্ধন সিঙে আজি নতুন দিল্লীত ASSOCHAM পৰিৱেশ আৰু কাৰ্বন সন্মিলন উদ্বোধন কৰে। সন্মিলনৰ এইবাৰৰ বিষয়বস্তু হৈছে- **২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমন লক্ষ্য প্ৰাপ্তিৰ বাবে সহযোগিতামূলক পৰিৱেশ তন্ত্ৰৰ পোষকতা কৰা**। সন্মিলনক সম্বোধন কৰি শ্ৰী সিঙে কয় যে, জলবায়ু আৰু পৰিৱেশ পৰিৱৰ্তন বৰ্তমান গোলকীয় সমস্যা হৈ পৰিছে, কিন্তু চৰকাৰে দেশক ইয়াৰ প্ৰভাৱৰ পৰা সুৰক্ষিত কৰিবলৈ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ২০৭০ চনৰ ভিতৰত শূন্য কাৰ্বন নিৰ্গমন লক্ষ্য পূৰণৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকশিত ভাৰত ২০৪৭ৰ দৃষ্টিভংগী বাস্তবায়িত কৰিবলৈ চৰকাৰে অহৰহ কাম কৰি আছে। সমগ্ৰ বিশ্বৰে পৰিৱেশ আৰু জলবায়ুক প্ৰভাৱিত কৰা সমস্যাসমূহৰ সমাধান বিচাৰি উলিওৱাটো সবাতোকৈ প্ৰয়োজনীয় হৈ পৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

দেশৰ গ্ৰামাঞ্চলত অনুভূত হোৱা পানীৰ অভাৱৰ সমস্যাৰ ওপৰত আলোকপাত কৰি শ্ৰী সিঙে কয় যে, জলজীৱন অভিযান আঁচনিৰ অধীনত সেই সমস্যাৰ সমাধান হোৱাৰ পাছত বৰ্তমান কৃষকসকল যথেষ্ট আনন্দিত হোৱা পৰিলক্ষিত হৈছে। দেশৰ পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহৰ সমাধানৰ বাবে উদ্যোগ আৰু অংশীদাৰসকলৰ প্ৰতি সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি এদিনীয়া সন্মিলনখনত দেশৰ বিভিন্ন উদ্যোগ, গৱেষণা আৰু পৰিৱেশ প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় ইলেকট্ৰনিক আৰু তথ্য প্ৰযুক্তি বিভাগৰ ৰাজ্য মন্ত্ৰী জিতিন প্ৰসাদে নতুন দিল্লীত আজি ডিজিটেল ভাৰত অৰ্থনৈতিক সন্মিলনক সম্বোধন কৰে। অনুষ্ঠানত ভাষণ দি শ্ৰী প্ৰসাদে কয় যে, ভাৰত ষ্টাৰ্টআপৰ মহাকুম্ভ। তেওঁ কয় যে, যোৱা ১০ বছৰত এইখন দেশত প্ৰতি ৪০ মিনিটত এটাকৈ ষ্টাৰ্টআপ মুকলি কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে দেশৰ এক লাখ ৪০ হাজাৰ ষ্টাৰ্টআপৰ ৪৫ শতাংশ মহিলাৰ নেতৃত্বাধীন আৰু মুঠ ষ্টাৰ্টআপৰ আধাতকৈও বেছি সংখ্যকত কমেও এগৰাকী মহিলা সঞ্চালক আছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, এইবাৰৰ বাজেটত ১০ হাজাৰ কোটিতকৈও অধিক টকা কৃত্ৰিম বুদ্ধিমত্তা অভিযানৰ বাবে আৱণ্টন দিয়া হৈছে। ভাৰতৰ কৃত্ৰিম বুদ্ধিমত্তা অভিযানৰ ৭টা স্তম্ভৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ কয় যে দেশত কৃত্ৰিম বুদ্ধিমত্তা বিকশিত কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীৰ ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানত **এক পেৰ মা কে নাম** অভিযানৰ অন্তৰ্গত গছপুলি ৰোপণ কৰে। মন্ত্ৰালয়ে প্ৰায় এক একৰ ভূমি সামৰি **মাতৃ বন** নিৰ্মাণ কৰিব বুলি তেওঁ ঘোষণা কৰে। শ্ৰী চৌহানে কয় যে, এই কাৰ্যসূচীত মন্ত্ৰালয়ৰ লগতে ৮০০ ৰো অধিক প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিব আৰু প্ৰায় চাৰি হাজাৰ গছপুলি ৰোপণ কৰিব।

মন্ত্ৰালয়ে জনাইছে যে এই অভিযানৰ লক্ষ্য হৈছে সমগ্ৰ দেশতে অহা মাহৰ ভিতৰত ৮০ কোটি গছপুলি ৰোপণ কৰা আৰু অহা বছৰ মাৰ্চৰ ভিতৰত ১৪০ কোটি গছপুলি কোপণ কৰা।

০০০০০০০

ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল দুদিনীয়া কাৰ্যসূচীৰে কলম্বোত উপস্থিত হৈছে। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি শ্ৰী দোভালে কলম্বো সুৰক্ষা সন্মিলনৰ আলাপ-আলোচনাৰ পৰ্যালোচনা কৰিব। উল্লেখযোগ্য যে ভাৰত, শ্ৰীলংকা আৰু মালদ্বীপৰ ত্ৰিপাক্ষিক প্ৰচেষ্টাৰ ফলস্বৰূপে আঞ্চলিক উদ্যমৰূপে কলম্বো সুৰক্ষা সন্মিলন আৰম্ভ কৰা হয়। এখন সুৰক্ষিত আৰু সুস্থিৰ ভাৰত মহাসাগৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যেৰে এই ত্ৰিপাক্ষিক প্ৰচেষ্টাৰ সূত্ৰপাত হৈছিল আৰু ভাৰতে এই প্ৰচেষ্টাক আগুৱাই নিয়াৰ ক্ষেত্ৰত নেতৃত্ব বহন কৰিছে। বৰ্তমান এই ত্ৰিপাক্ষিক উদ্যমত মৰিচাছ আৰু বাংলাদেশক সদস্য তথা চিশ্বেলক পৰ্যৱেক্ষক ৰূপে অন্তৰ্ভুক্ত কৰা হৈছে। এই সন্মিলনে সন্ত্ৰাসবাদ প্ৰতিৰোধ, আৰক্ষী, আইন বলবৎকৰণ আৰু চাইবাৰ সুৰক্ষাৰ খণ্ডত সামৰ্থ বৃদ্ধিৰ বাবে কাম কৰি আহিছে।

০০০০০০০

আন্তঃমন্ত্ৰ্যালয় পৰ্যায়ৰ এটা কেন্দ্ৰীয় দলে ত্ৰিপুৰাৰ চাৰিখন জিলাত বানৰ প্ৰকোপৰ মূল্যায়ন আৰম্ভ কৰিছে। কেন্দ্ৰীয় জল আয়োগৰ সঞ্চালক মহেশ কুমাৰৰ নেতৃত্বত দলটোৱে গোমতী জিলাৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। অতিৰিক্ত জিলা দণ্ডাধীশ বিনয় ভূষণ দাসে কয় যে, গোমতী জিলাত প্ৰায় এহেজাৰ ১০০ কোটি টকাৰ ক্ষয়ক্ষতি হৈছে।

আগৰতলাত কালি উপস্থিত হোৱাৰ পাছতে কেন্দ্ৰীয় দলটোৱে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত ৰাজহ সচিব ব্ৰিজেশ পাণ্ডেই ৰাজ্যখনৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহৰ সামগ্ৰিক দৃশ্যপট দাঙি ধৰে। ৰাজ্য চৰকাৰৰ তথ্য অনুসৰি বানৰ ফলত ত্ৰিপুৰাত প্ৰায় ১৫ হাজাৰ কোটি টকাৰ সা-সম্পত্তি আৰু আন্তঃগাঁথনি ক্ষতিগ্ৰস্ত হৈছে।

০০০০০০০

সমাপ্ত